**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। ৰাজ্যৰ বান পৰিস্থিতি বৰ্তমানেও শোচনীয়। ২৯ খন জিলাৰ ৩ সহস্ৰাধিক গাঁও জলমগ্ন হোৱাৰ লগতে বিগত ২৪ ঘণ্টাত ৬ গৰাকীতকৈও অধিক লোকৰ মৃত্যু।

২। বান পৰিস্থিতি নিৰীক্ষণ তথা নিয়ন্ত্ৰণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে অসম মন্ত্ৰীসভাৰ কেইবাজনো মন্ত্ৰীৰ বানপীড়িত অঞ্চল পৰিদৰ্শন।

৩। দেশৰ অন্যান্য প্ৰান্তৰ লগতে উত্তৰ-পূৰ্বাঞ্চলতো নিটি আয়োগৰ **সম্পূৰ্ণতা অভিযান** আৰম্ভ। অসমৰ মুঠ ৭ খন অভিলাষী জিলা তথা ২০টা অভিলাষী উন্নয়ন খণ্ডত বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰ আয়োজন।

৪। ২০২৪ বৰ্ষৰ ই-গভৰ্নেন্সৰ ৰাষ্ট্ৰীয় বঁটাৰ বাবে **শিক্ষা সেতু অসম** নিৰ্বাচিত।

**আৰু**

৫। ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ দুখনকৈ কোৱাৰ্টাৰ ফাইনেলত আজি স্পেইনৰ বিৰুদ্ধে জাৰ্মানী আৰু ফ্ৰান্সৰ বিৰুদ্ধে পৰ্টুগাল মুখামুখি।

oooooo

ৰাজ্যৰ বান পৰিস্থিতি বৰ্তমানেও শোচনীয় হৈ আছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি বৰ্তমানে ২৯ খন জিলাৰ ৩ হাজাৰ ২০৮ খন গাঁও জলমগ্ন হৈ আছে। ৰাজ্যৰ ২১ লাখ ১৩ হাজাৰতকৈও অধিক লোক এই বানত ক্ষতিগ্ৰস্ত হোৱাৰ বিপৰীতে ৫৭ হাজাৰৰো অধিক হেক্টৰ কৃষিভূমি প্লাৱিত হৈছে। বিগত ২৪ ঘণ্টাত ৬ গৰাকীতকৈও অধিক লোকৰ মৃত্যু হোৱাত ৰাজ্যখনৰ বানত এতিয়ালৈ মৃত্যু হোৱাৰ সংখ্যা ৫২ লৈ বৃদ্ধি পাইছে। মুঠ ২৪৭টা বান শিবিৰত ৩৯ হাজাৰৰো অধিক বানপীড়িতই আশ্ৰয় লৈ আছে।

ইপিনে বৰ্তমানেও ব্ৰহ্মপুত্ৰ আৰু ভালেকেইখন নৈ-উপনৈৰ জলস্তৰ বিপদ সীমাৰ ওপৰেৰে বৈ আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু চুবুৰীয়া অৰুণাচল প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ সতৰ্কবাণী জাৰি কৰিছে। তেজপুৰত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে জীয়াভৰলী আৰু জৰাসৰ নদীৰ বাঢ়নী পানীয়ে শোণিতপুৰ জিলাৰ নদুৱাৰ, চাৰিদুৱাৰ, তেজপুৰ সদৰ, ঠেলামৰা আৰু ঢেকীয়াজুলি ৰাজহ চক্ৰৰ ১০৪ খন বুৰাই পেলোৱাত প্ৰায় ৭০ হাজাৰৰো অধিক গাঁও বানৰ কবলত পৰিছে।

বৰপেটা জিলাৰ জনীয়াৰ বেঁকী নদীৰ দলঙৰ পশ্চিম দিশৰ কৰাৰকুৰত কালি বিয়লিৰ পৰা ঘাইপথত প্ৰবল খহনীয়া হোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। খহনীয়াৰ ফলত পথটো যিকোনো মুহূৰ্ততে দ্বিখণ্ডিত হোৱাৰ আশংকা কৰা হৈছে। বালিৰ বস্তাৰে খহনীয়া প্ৰতিৰোধৰ সাময়িক ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও পথটোৰে চাৰিচকীয়া বাহনৰ চলাচল সম্প্ৰতি সম্পূৰ্ণৰূপে বন্ধ ৰখা হৈছে। ইপিনে ধুবুৰীৰ গৌৰীপুৰ,

গোলকগঞ্জ, আগমনি, বিলাসীপাৰা আৰু চাপৰৰ বিস্তীৰ্ণ ভূমি সম্প্ৰতি বানত বুৰ গৈছে। জিলাখনৰ ৬ লাখৰো অধিক লোক বানত ক্ষতিগ্ৰস্ত হোৱাৰ লগতে এহেজাৰ ৭৮১ হেক্টৰ কৃষিভূমি বৰ্তমানে পানীৰ তলত আছে।

মৰিগাঁও জিলাতো বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। জিলাখনৰ ভুৰাগাঁও ৰাজহচক্ৰৰ ৫৩ খন গাঁও, মায়ঙৰ ১১৩ খন গাঁও আৰু লাহৰীঘাটৰ ২৮ খন গাঁৱকে ধৰি মুঠ ১৯৪ খন গাঁৱৰ ৫০ হাজাৰৰো অধিক লোক বানৰ কবলত পৰিছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে মন্ত্ৰী অতুল বৰাই কালি জিলাখনত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ক্ষয়-ক্ষতিৰ মূল্যাংকন কৰি ৰাইজক যথা শীঘ্ৰে সাহায্য প্ৰদান কৰিবলৈ জিলা প্ৰশানক নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে সাম্প্ৰতিক বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত হোৱা নগাঁও জিলাত উপস্থিত হৈ জিলা আয়ুক্তৰ কাৰ্যালয়ত বান পৰিস্থিতি ব্যৱস্থাপনাৰ সৈতে জড়িত বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত মন্ত্ৰী বৰাই বানত ক্ষতিগ্ৰস্ত হোৱা জিলাখনৰ লাওখোৱা, শান্তিবজাৰ আৰু ভুৰবন্ধা আদি অঞ্চল পৰিদৰ্শন কৰি বানপীড়িত ৰাইজৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকৰ অসুবিধা ক্ষয়-ক্ষতিৰ বুজ লৈ ক্ষতিপূৰণৰ সুনিশ্চিতকৰণৰ বাবে বিষয়াসকলক যাৱতীয় নিৰ্দেশ দিয়ে। ইপিনে নিশাৰ ভাগত মন্ত্ৰীগৰাকীয়ে নিজৰ গৃহ সমষ্টি বোকাখাটত উপস্থিত হৈ বানপীড়িতৰ ক্ষয়-ক্ষতিৰ বুজ লয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি মৰাণ আৰু তিনিচুকীয়াত বান পৰিস্থিতিৰ পৰ্যবেক্ষণ কৰে। ইফালে শিৱসাগৰ জিলাৰ বান পৰিস্থিতি বুজ লোৱাৰ উদ্দেশ্যে কালি মন্ত্ৰী বিমল বৰাই কেইবাটাও স্থান পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে মন্ত্ৰী কেশৱ মহন্তই কলিয়াবৰত আৰু ৰণজিৎ কুমাৰ দাসে শদিয়াত কেইবাটাও বানে গৰকা অঞ্চল পৰিদৰ্শন কৰে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বান পৰিস্থিতি নিৰীক্ষণ আৰু নিয়ন্ত্ৰণৰ লগতে সাহায্য প্ৰদানৰ কাম তৎপৰতাৰে আগবঢ়াই নিয়াৰ উদ্দেশ্যে চৰকাৰে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী মহানগৰীৰ পাণ্ডুত বানৰ কবলত পৰা অঞ্চলসমূহত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁ কয় যে, ব্ৰহ্মপুত্ৰৰ উভতনি সোঁতে পাণ্ডুৰ বিভিন্ন অঞ্চল প্লাৱিত কৰিছে। জনসাধাৰণে এই সমস্যাৰ সমাধানৰ বাবে এখন শ্লুইচ গে'ট বিচৰা বুলি উল্লেখ কৰি এই কথা বিবেচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে। ইয়াৰ পিছতে তেওঁ বানপীড়িত মাজুলী ভ্ৰমণ কৰি নদী দ্বীপটোত বানে কৰা ক্ষয়-ক্ষতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে কড়াল গাঁৱত উপস্থিত হৈ ব্ৰহ্মপুত্ৰৰ সমীপৰ হালধিবাৰী বেচামৰা মথাউৰিটো পৰিদৰ্শন কৰে। ইয়াৰ পিছতে তেওঁ জুগুনিধাৰী গাঁও পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰৰ এটা সুঁতিয়ে জুগুনিধাৰী আলিমূৰ মথাউৰিটোৰ ক্ষতি কৰাৰ ফলত  মাজুলী ৰাজহচক্ৰৰ ভালেমান অঞ্চল বানৰ কবলত পৰিছে। মুখ্যমন্ত্ৰীয়ে ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যা ৰাজিৰ বুজ লোৱাৰ উপৰি জিঅ' বেগ ব্যৱহাৰ কৰি অঞ্চলটোৰ বান পৰিস্থিতি স্বাভাৱিক কৰাৰ ব্যৱস্থা ল'বলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। তেওঁ কয় যে, অঞ্চলটোৰ বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে ৰাজ্য চৰকাৰে ব্ৰহ্মপুত্ৰ সুঁতিটোৰ প্ৰকৃতি অধ্যয়ন কৰিবলৈ আই আই টি গুৱাহাটীৰ সহায় ল'ব আৰু সেই স্থানত এটা অধিক শক্তিশালী মথাউৰি নিৰ্মাণৰ প্ৰচেষ্টা চলাব। মুখ্যমন্ত্ৰীয়ে মাজুলীলৈ যোৱাৰ পথত ধেমাজি জিলাৰ চিচিবৰ গাঁৱত শ্লুইছ গে'ট পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীৰ সৈতে মন্ত্ৰী ডাঃ ৰণোজ পেগু, পীযুষ হাজৰিকা, জয়ন্ত মল্লবৰুৱা আৰু সাংসদ প্ৰদান বৰুৱা উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ঢকুৱাখনাৰ মাটমৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত বান্দানাত উপস্থিত হৈ জিঅ' টিউব ব্যৱহাৰ কৰি নিৰ্মাণ কৰা মথাউৰিটো পৰিদৰ্শন কৰে। তেওঁ লগতে খহনীয়া প্ৰতিৰোধী কাৰ্যৰ বাবে ৯০ কোটি

টকা ব্যয় সাপেক্ষ এটা আঁচনি কাৰ্যকৰীকৰণৰ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰী শৰ্মাই আজি ডিব্ৰুগড়ৰ কেইবাটাও বানপীড়িত অঞ্চল পৰিদৰ্শন কৰিব।

oooooo

ৰাজ্যত বানে জটিলৰূপ ধাৰণ কৰাৰ সমান্তৰালকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি বনাঞ্চলসমূহৰ জীৱ-জন্তুৰেও দুৰ্ভোগ ভুগিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত এটা গড়কে ধৰি ১৭ টা জন্তু বানত ডুবি মৃত্যু হোৱাৰ বিপৰীতে বনবিভাগে আন ৭২ টা জন্তুক উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি ৩২ টা বণ্য জীৱ সদ্যহতে চিকিৎসাধীন হৈ থকাৰ বিপৰীতে ২৫ টা জন্তু ইতিমধ্যে মুকলি কৰি দিয়া হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বান পৰিস্থিতি এতিয়াও সাম কটা নাই। ৰাষ্ট্ৰীয় উদ্যানখনৰ ৯০ শতাংশ অঞ্চল প্লাবিত হোৱাৰ পৰিপ্ৰেক্ষিতত বণ্যপ্ৰাণীসমূহে বন বিভাগে নিৰ্মাণ কৰা হাইলেণ্ড অৰ্থাৎ মাটিৰ ওখ ঢিপ সমূহত আশ্ৰয় লোৱা পৰিলক্ষিত হৈছে। কিছু সংখ্যক বণ্য প্ৰাণী ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি দক্ষিণ দিশৰ কাৰ্বি পাহাৰ তথা পাহাৰৰ নামনিত আশ্ৰয় লৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ সংৰক্ষণ প্ৰকল্পৰ অধীনত থকা ২৩৩ টা বন শিবিৰৰ ভিতৰত ১৪১ টা সম্প্ৰতি বানত বুৰ গৈছে। ইপিনে লাওখোৱা বণ্যপ্ৰাণী অভয়াৰণ্যৰ প্ৰায় ৪০ শতাংশ এলেকা বানত বুৰ গৈছে। অভয়াৰণ্যখনৰ মুঠ ২৩টা বন শিবিৰৰ ভিতৰত ১০ শিবিৰ বানৰ কবলত পৰা বুলি জানিব পৰা গৈছে। বুঢ়া চাপৰি অভয়াৰণ্যৰে প্ৰায় ৮০ শতাংশ অঞ্চল বানত বুৰ গৈছে। ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীয়ে অভয়াৰণ্যখনৰ ১৮ টা বন শিবিৰৰ ভিতৰত ১৭ টা প্লাবিত কৰিছে। ৰাজ্যৰ বিভিন্ন বনাঞ্চলৰ জীৱ-জন্তুসমূহে খাদ্য আৰু ওখ স্থানৰ সন্ধানত জনাঞ্চলত প্ৰৱেশ কৰা পৰিলক্ষিত হৈছে।

oooooo

ৰাজ্যত বানে জটিল ৰূপ ধাৰণ কৰাৰ সমান্তৰালকৈ বিভিন্ন প্ৰান্তত পাচলিৰ বজাৰত অভাৱনীয় হাৰত দাম বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। পাইকাৰী বজাৰত মাত্ৰ এসপ্তাহৰ ভিতৰতে প্ৰতিবিধ পাচলিৰ মূল্য প্ৰতি কিলো গ্ৰামত ৪০ টকা পৰ্যন্ত বৃদ্ধি হৈছে। মৰিগাঁও জিলাত বানৰ সুযোগ লৈ একাংশ ব্যৱসায়ীয়ে অত্যাৱশ্যকীয় সামগ্ৰীৰ দৰ বৃদ্ধি কৰাৰ অভিযোগ উত্থাপিত হোৱাৰ পাছত প্ৰশাসনে মৰিগাঁও, জাগীৰোড, মৈৰাবাৰী আৰু লাহৰিঘাটত বিক্ৰী কেন্দ্ৰ স্থাপন কৰাৰ সিদ্ধান্ত লয়। এই কেন্দ্ৰসমূহত প্ৰতিজন গ্ৰাহকে দুদিনৰ অন্তৰালত প্ৰতি কিলোত ৩৫ টকা দৰত এক কিলোগ্ৰাম পিঁয়াজ ক্ৰয় কৰিব পাৰিব। এসপ্তাহৰ বাবে এই সুবিধা অব্যাহত থাকিব। ইপিনে সকলোৰে এই সুবিধা লাভ কৰাটো সুনিশ্চিত কৰাৰ উদ্দেশ্যে জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই প্ৰয়োজন অনুসৰিহে পিঁয়াজ ক্ৰয় কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে।

oooooo

দেশৰ বৃহৎ সংখ্যক নাগৰিকৰ অংশগ্ৰহণেৰে নিটি আয়োগ **সম্পূৰ্ণতা অভিযান** শীৰ্ষক বিশেষ অভিযানৰ কালি শুভাৰম্ভ কৰে। মুঠ ১১২ খন অভিলাষী জিলা আৰু ৫০০টা অভিলাষী খণ্ডত এই অভিযানৰ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অহা ৩০ ছেপ্তেম্বৰলৈকে ৩ মাহজুৰি চলিবলগীয়া এই অভিযানৰ লক্ষ্য হৈছে সকলো অভিলাষী জিলা আৰু খণ্ডত ১২টা মূল সামাজিক খণ্ডৰ সূচকৰ ক্ষেত্ৰত ১০০ শতাংশ পৰিপূৰ্ণতা লাভ কৰা। এই অভিযানৰ প্ৰথম দিনটোত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহেও সম্পূৰ্ণ সহৃদয়তাৰে অংশগ্ৰহণ কৰে। অৰুণাচল প্ৰদেশৰ নামচাই জিলাৰ চৌখাম খণ্ডত ৰাজ্যখনৰ উপ মুখ্যমন্ত্ৰী চৌনা মেইনে কালি এই অভিযানৰ শুভাৰম্ভ কৰে। একেদৰে নাগালেণ্ডৰ কিফিৰেত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানত বিধানসভাৰ সদস্য চি কিপ্লি

সংগতমে কাৰ্যসূচীৰ আৰম্ভণি কৰে। ইপিনে মণিপুৰৰ চূড়াচান্দপুৰ জিলাৰ লমকা ছাউথ ব্লকত কালি আৰম্ভ হোৱা প্ৰথমটো কাৰ্যসূচীত মধুমেহ আৰু উচ্চ ৰক্তচাপৰ বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়।

অসমৰ বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা,ওদালগুৰি আৰু হাইলাকান্দিকে ধৰি মুঠ ৭ খন জিলা তথা ২০টা উন্নয়ন খণ্ড এলেকাক এই অভিযানে সামৰি লৈছে। এই অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায় বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পৌষ্টিক আহাৰ মেলা, স্বাস্থ্য শিবিৰ, সজাগতা সভা আৰু ৰেলী প্ৰদৰ্শনী আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিব।

উল্লেখযোগ্য যে দৰং জিলাৰ পূব মঙলদৈ, ওদালগুৰিৰ ভেৰগাঁও আৰু ডিমা হাছাও জিলাৰ বিভিন্ন খণ্ডত আজি **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰা হ'ব। আনহাতে দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ফেকামাৰীত, কাছাৰ জিলাৰ লক্ষীপুৰত আৰু ধেমাজি জিলাৰ মুৰ্কংচেলেকত কাইলৈ এই অভিযান আৰম্ভ হ'ব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰশাসনিক সংস্কাৰ আৰু জন অভিযোগ বিভাগত ২০২৪ বৰ্ষৰ ই-গভৰ্নেন্সৰ ৰাষ্ট্ৰীয় বঁটাৰ বাবে শিক্ষা সেতু অসমক বাছনি কৰিছে। অহা ৮ আৰু ৯ আগষ্টত মুম্বাইত অনুষ্ঠিত হ'বলগীয়া ই-গভৰ্নেন্সৰ ২৭ সংখ্যক ৰাষ্ট্ৰীয় সন্মিলনৰ সময়তে সমগ্ৰ শিক্ষা অসমক এই বঁটা প্ৰদান কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে অৱগত কৰিছে।

০০০০০০

এন চি ই আৰ টিয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ আৰু বিদ্যালয় শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম পৰিকাঠামোৰ অধীনত নতুন পাঠ্যপুথি প্ৰণয়নৰ কাম অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে ২০২৪-২৫ শিক্ষাবৰ্ষৰ পৰা তৃতীয় আৰু ষষ্ঠ শ্ৰেণীত নতুন পাঠ্যপুথি প্ৰৱৰ্তন কৰা হ'ব। শিক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি নতুন পাঠ্যপুথি প্ৰণয়নৰ কাম চূড়ান্ত পৰ্যায়ত আছে আৰু তৃতীয় আৰু ষষ্ঠ শ্ৰেণীৰ বাবে ৯খন পাঠ্যপুথি ইতিমধ্যে উপলব্ধ কৰোৱা হৈছে। বাকী ৮ খন পাঠ্যপুথি অতি সোনকালে উপলব্ধ হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে বিদ্যালয়, শিক্ষা আৰু সাক্ষৰতা বিভাগৰ সচিব, কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ– চি বি এছ ইৰ অধ্যক্ষ আৰু ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ– এন চি ই আৰ টিৰ সঞ্চালকৰ সৈতে পাঠ্যপুথি প্ৰণয়নৰ কামৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

০০০০০০

০০০০০০

চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত আজি দুখনকৈ কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। নিশা চাৰে ৯ বজাত হ'বলগা প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত দুই প্ৰাক্তন বিশ্ব চেম্পিয়ন জাৰ্মানী আৰু স্পেইন মুখামুখি হোৱাৰ বিপৰীতে নিশা চাৰে ১২ বজাত হ'বলগা আন এখন কোৱাৰ্টাৰ ফাইনেলত প্ৰাক্তন বিশ্ব

চেম্পিয়ন ফ্রান্সে ইউৰো কাপৰ চেম্পিয়ন পর্টুগালৰ বিৰুদ্ধে খেলিব। উল্লেখযোগ্য যে প্রি কোৱার্টাৰ ফাইনেলত ফ্রান্সে একমাত্র গলত বেলজিয়ামক পৰাস্ত কৰিছিল। আনহাতে পর্টুগালে ট্রাই বেকাৰত শ্ল'ভেনিয়াক পৰাস্ত কৰিছিল। ইপিনে প্রতিযোগিতাৰ আয়োজক জার্মানী প্রি কোৱার্টাৰ ফাইনেলত ২-০ গলৰ ব্যৱধানত ডেনমার্কক পৰাস্ত কৰাৰ বিপৰীতে স্পেইনে নক আউট খেলত ৪-১ গলৰ ব্যৱধানত জর্জিয়াক পৰাস্ত কৰিছিল।

০০০০০০

টি-২০ বিশ্বকাপ ক্রিকেটত জয়লাভৰ পাছত স্বদেশ উপস্থিত হোৱা ভাৰতীয় দলক বিপুল আদৰণি- প্রধানমন্ত্রীৰে দলৰ অন্তৰংগ আলাপ বাতৰিটো দৈনিক অসম কাকতে প্রথম পৃষ্ঠাত প্রকাশ কৰিছে। এই বাতৰিটোকে অসমীয়া প্রতিদিন, নিয়মীয়া বার্তা, আমাৰ অসম, দৈনিক জনমভূমি কাকতে ভিন ভিন শিৰোনামেৰে প্রথম পৃষ্ঠাত প্রকাশ কৰিছে। নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ বান পৰিস্থিতিয়ে ক্রমাৎ শোচনীয় ৰূপ ধাৰণ কৰাৰ প্রসংগৰে বিভিন্ন ঠাইত মথাউৰি, কৃষি ভূমি আদি ক্ষতিগ্রস্ত হোৱাৰ তথ্যৰে আমাৰ অসম কাকতে প্রথম পৃষ্ঠাৰ মুখ্য বাতৰি প্রকাশ কৰিছে। এই বাতৰিটো ভিন ভিন শিৰোনামেৰে গুৱাহাটীৰ পৰা প্রকাশিত আটাইবোৰ বাতৰি কাকতে গুৰুত্ব সহকাৰে প্রকাশ কৰিছে।

বানত বিপর্যস্ত অসমলৈ ক্ষতিপূৰণৰ নামত বিগত ৫ বছৰত কেন্দ্রই দিলে মাত্র ২৯৪ কোটি টকা শিৰোনামেৰে দৈনিক জনমভূমি কাকতে এটি তথ্য নির্ভৰ বাতৰি প্রকাশ কৰিছে।

সমর্থ প'র্টেলৰ বিসংগতিৰ বাবে ৭০০ গৰাকী কটনিয়ানৰ চৰম হাৰাশাস্তি প্রসংগৰে এটি বাতৰি অসমীয়া প্রতিনিদিন কাকতে প্রথন পৃষ্ঠাত প্রকাশ কৰিছে।

ধেমাজি, ঢকুৱাখনা, মাজুলীত বর্ণাত্যৰ কাষত মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা প্রসংগৰে নিয়মীয়া বার্তা কাকতে প্রথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্রকাশ কৰিছে।

বানৰ সংহাৰৰ মাজতে ৰাজ্যত বাঘ-হাতীৰ আক্রমণত ৰাজ্যত একাধিক লোকৰ মৃত্যুৰ প্রশংগৰে এটি বাতৰি প্রকাশ কৰিছে দৈনিক অগ্রদূত কাকতে।

২০২৫ বর্ষৰ ভিতৰ মহাকাশ আৰু গভীৰ সমুদ্রলৈ প্রথমজন মানৱ প্রেৰণ কৰিব ভাৰতে শীর্ষক শিৰোনামেৰে অসমীয়া খবৰ কাকতে বাতৰিটো প্রথম পৃষ্ঠাত প্রকাশ কৰিছে।

এহেজাৰ কোটি টকাৰ বান সাহায্য বিচাৰি কেন্দ্রীয় চৰকাৰক জনোৱা আছুৰ অনুৰোধৰ বাতৰি দি আছাম ট্রিবিউন কাকতে প্রথম পৃষ্ঠাত প্রকাশ কৰিছে।

ভাৰত আৰু ভূটানৰ বাণিজ্যিক বিকাশৰ লক্ষ্যৰে অনুষ্ঠিত দ্বিপাক্ষীক আলোচনাৰ বাতৰি দ্যা ছেণ্টিনেল কাকতে গুৰুত্ব সহকাৰে প্রকাশ কৰিছে।

আজি প্রকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – মাজুলীৰ সুৰক্ষাৰ বাবে ব্যৱস্থা ল'ব চৰকাৰে, বৰছলাত জনজীৱনৰ নামত ৩৯২ কোটি টকাৰ কেলেংকাৰী, ডিব্রুগড়ত বিদ্যুৎস্পৃষ্ট হৈ দুই শিশু ভাতৃৰ মৃত্যু, ৰাজ্যৰ বজাৰত শাক-পাচলিৰ নাটনি আৰু মূল্য বৃদ্ধি ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্রকাশিত বাতৰি কাকতসমূহৰ প্রথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত